# অৰুনোদই দিৱস




অৰুণোদই দিৱস উদ্‌যাপনৰ মুকলি সভাৰ এটি মুহূৰ্ত

যোৱা ১ জানুৱাৰি, ২০২২ খ্ৰীষ্টাব্দ তাৰিখ শনিবাৰে অসম সাহিত্য সভাৰ কেন্দ্ৰীয় অনুষ্ঠান অৰুনোদই দিৱস তিনিচুকীয়া জিলা সাহিত্য সভাৰ সহযোগত ডিগবৈ সাহিত্য সেৱা সমিতিৰ আতিথ্যত অনুষ্ঠিত হৈ যায়। অৰুনোদই দিৱসৰ পুৱা পতাকা উত্তোলন কৰে ডিগবৈ সাহিত্য সেৱা সমিতিৰ সভাপতি শ্ৰীযুত দীপেন কুমাৰ বড়াই। পতাকা উত্তোলনৰ লগে লগে সমবেত সকলোৱে জাতীয় সংগীত পৰিৱেশন কৰে। ইয়াৰ পিছতে অসম তথা অসমীয়া ভাষা-সাহিত্যৰ মহান অগ্ৰদূতসকললৈ শ্ৰদ্ধাঞ্জলি তৰ্পণ কৰে তিনিচুকীয়া জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা প্ৰাক্তন কাৰ্যনিৰ্বাহক সদস্য শ্ৰীযুত প্ৰবীণ বৰাদেৱে।

পুৱা ১০-৩০ বজাৰ পৰা ডিগবৈ সাহিত্য সেৱা সমিতিৰ সভাপতি দীপেন কুমাৰ বড়াই আঁত ধৰা অনুষ্ঠানটিৰ ডিগবৈ সাহিত্য সেৱা সমিতিৰ শিল্পীসকলে 'চিৰ চেনেহী মোৰ ভাষা জননী' গীতটি পৰিৱেশন কৰি মুকলি সভাখনি আৰম্ভ কৰে। 'অৰুনোদই দিৱস'ৰ মুকলি সভাৰ সভাপতিত্ব কৰে অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি পদ্মশ্ৰী প্ৰহ্লাদচন্দ্ৰ তাছাই। নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকে তিনিচুকীয়া মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ৰাণা চাংমাই। আদৰণি ভাষণ আগবঢ়ায় তিনিচুকীয়া জিলা সাহিত্য সভাৰ সভাপতি অৰ্জুন বৰুৱাই। সভাৰ প্ৰধান সম্পাদক যাদব চন্দ্ৰ শৰ্মাই উদ্দেশ্য ব্যাখ্যা কৰে। বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে অসম সাহিত্য সভাৰ কৰ্ণধাৰ সমিতিৰ সদস্য ডাঃ গিৰিশ সন্দিকৈ, অসম সাহিত্য সভাৰ ডিব্ৰুগড় আঞ্চলিক কাৰ্যালয়ৰ সম্পাদক ডাঃ শান্তনু লহকৰ, ডিগবৈ মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° অৰুণ চন্দ্ৰ দত্ত, ডিব্ৰুগড় জিলা সাহিত্য সভাৰ সভাপতি ইন্দ্ৰ গগৈ।

সভাৰ প্ৰধান সম্পাদক যাদব চন্দ্ৰ শৰ্মাই উদ্দেশ্য ব্যাখ্যাত কয় যে অসমীয়া ভাষাৰ প্ৰথমখন কাকত ১৮৪৬ চনৰ পহিলা জানুৱাৰিত প্ৰথম প্ৰকাশ পাইছিল। সেই ঐতিহাসিক দিনটো অসম সাহিত্য সভাই অৰুনোদই দিৱস হিচাপে উদ্‌যাপন কৰি আহিছে। ইয়াৰ পিছতে নিৰ্দিষ্ট বক্তা ৰাণা চাংমাইয়ে অৰুনোদই কাকতৰ ইতিহাসৰ লগতে অসমীয়া ভাষাৰ পৰিক্ৰমাৰ ওপৰত এটি সুন্দৰ আলোচনা দাঙি ধৰে।

ডিগবৈ সাহিত্য সেৱা সমিতিৰ সদস্যাসকলে এটি দলীয় গীত পৰিৱেশন কৰে। সভাপতিৰ মন্তব্যৰ পাছতে তিনিচুকীয়া জিলা সাহিত্য সভাৰ সম্পাদক মনোৰম বৰাই সকলোকে শলাগ জ্ঞাপন কৰাৰ পাছতে সভাৰ সামৰণি ঘোষণা কৰে।

০০০০